# 2022

## ASSAMESE

## ( Honours )

Paper : ASM–HC–1026

**( Asomiya Sahityar Buranjee )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) ভট্টদেৱে 'ভক্তিবিবেক' নামৰ গ্ৰন্থখন কি ভাষাত ৰচনা কৰিছিল?

(খ) গোপালদেৱে 'নামঘোষাৰ' আৰ্হিত ৰচনা কৰা পুথিখনৰ নাম কি?

(গ) 'শংকৰদেৱ-মাধৱদেৱ চৰিত্ৰ' নামৰ চৰিত-পুথিখনৰ ৰচক কোন?

(ঘ) গদ্যত ৰচনা কৰা এখন চৰিত-পুথিৰ নাম লিখা।

(ঙ) শংকৰোত্তৰ যুগত গীত ৰচনা কৰা মহিলা গীতিকাৰগৰাকী কোন?

(চ) 'দৰং ৰাজবংশাৱলী' কোনে ৰচনা কৰিছিল?

(ছ) অসমৰ ইতিহাসত বুৰঞ্জীদাহ কাৰ্য কাৰ আদেশত সংঘটিত হৈছিল?

(জ) কাশীনাথ তামুলী ফুকনে ৰচনা কৰা বুৰঞ্জীখনৰ নাম কি?

(ঝ) 'অৰুণোদই' কাকত কিমান চনত প্ৰথম প্ৰকাশ পাইছিল?

(ঞ) 'A Native' ছদ্মনামত 'অৰুণোদই'ত লিখা ব্যক্তিজনৰ প্ৰকৃত নাম কি আছিল?

(ট) অসমীয়া ভাষাৰ স্বকীয়তা সম্পৰ্কে আনন্দৰাম ঢেকিয়াল ফুকনে ইংৰাজীত লিখা পুস্তিকাখনৰ নাম কি?

(ঠ) মাইলচ্ ব্ৰনছনৰ 'অচমিয়া আৰু ইংৰাজি অভিধান' কিমান চনত প্ৰকাশ হৈছিল?

(ড) 'অৰুণোদই'-ৰ পৰৱৰ্তী সময়ত ঊনবিংশ শতিকাতে প্ৰকাশ হোৱা এখন অসমীয়া আলোচনীৰ নাম লিখা।

(ঢ) নিধি লিবাই ফাৰোৱেলে 'অৰুণোদই'ত কি নামেৰে লিখিছিল?

(ণ) 'প্ৰাক্-অৰুণোদই' কালৰ কোনজন বুৰঞ্জী প্ৰণেতাক 'কলিতা ৰজা' বুলি কোৱা হৈছিল?

(ত) কিমান চনত অসমৰ পঢ়াশালিৰ পৰা অসমীয়া ভাষাটো আঁতৰোৱা হৈছিল?

(থ) হলিৰাম ঢেকিয়াল ফুকনে 'আসাম বুৰঞ্জী' কি ভাষাত লিখিছিল?

(দ) 'অৰুণোদই'-ৰ এজন অনা-খৃষ্টিয়ান লিখকৰ নাম লিখা।

২। চমু উত্তৰ দিয়া (যি কোনো **পাঁচটা**) : ২×৫=১০

(ক) সুকুমাৰ বৰকাথে ৰচনা কৰা দুখন ব্যৱহাৰিক পুথিৰ নাম লিখা।

(খ) কাৰ নিৰ্দেশ মতে, কোনে বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা শংকৰদেৱৰ 'কীৰ্ত্তন'-ৰ খণ্ডসমূহ সংগ্ৰহ কৰিছিল?

(গ) অসমৰ নৱবৈষ্ণৱ ধৰ্মত থকা কালসংহতিৰ প্ৰৱৰ্তক কোন? তেওঁ ৰচনা কৰা এখন নাটৰ নাম লিখা।

(ঘ) যদুমণিদেৱ কাৰ শিষ্য আছিল? তেওঁ কিমান গীত ৰচনা কৰা বুলি কথিত আছে?





(ঙ) শংকৰদেৱৰ 'ভক্তি-ৰত্নাকৰ' গ্ৰন্থখনৰ অসমীয়া পদভাঙনি আৰু কথাভাঙনি কোনে কোনে কৰিছিল?

(চ) বধকাব্যসমূহৰ ৰচক কোন? যি কোনো এখন বধকাব্যৰ নাম উল্লেখ কৰা।

(ছ) চুফী কাব্যৰ প্ৰভাৱত ৰচিত দুখন অসমীয়া প্ৰেমকাব্যৰ নাম লিখা।

(জ) পদ্যত ৰচনা কৰা দুখন বুৰঞ্জী পুথিৰ নাম লিখা।

(ঝ) জন বনিয়নৰ 'Pilgrims Progress' গ্ৰন্থখন কোনে, কি নামেৰে অনুবাদ কৰি 'অৰুণোদই'ত প্ৰকাশ কৰিছিল?

(ঞ) 'আসাম বন্ধু' কিমান চনত প্ৰকাশ পাইছিল আৰু কোনে সম্পাদনা কৰিছিল?

৩। উত্তৰ দিয়া (যি কোনো **চাৰিটা**) : ৫×৪=২০

(ক) শংকৰোত্তৰ নাটৰ বৈশিষ্ট্যসমূহ চমুকৈ লিখা।

(খ) ভট্টদেৱৰ গদ্যশৈলী সম্পৰ্কে আলোচনা কৰা।

(গ) অসমীয়া বুৰঞ্জী সাহিত্যৰ বিশেষত্বসমূহৰ বিষয়ে চমুকৈ লিখা।

(ঘ) চাংৰুং ফুকনৰ বুৰঞ্জীৰ বিষয়বস্তু সম্পৰ্কে আলোচনা কৰা।

(ঙ) 'অৰুণোদই' কাকতৰ বানান পদ্ধতি কেনেকুৱা আছিল, আলোচনা কৰা।

(চ) অসমীয়া ভাষা-সাহিত্যলৈ মাইলচ্ ব্ৰনছনৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

(ছ) 'প্ৰাক্-অৰুণোদই যুগ' বুলিলে কোনখিনি সময়ক বুজা যায়? এইখিনি সময়ৰ যি কোনো এগৰাকী সাহিত্যিকৰ সাহিত্যকৰ্মৰ বিষয়ে লিখা।

(জ) অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাত আনন্দৰাম ঢেকিয়াল ফুকনৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

৪। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) শংকৰোত্তৰ যুগৰ অসমীয়া সাহিত্যৰ গতি-প্ৰকৃতি সম্পৰ্কে আলোচনা কৰা।

(খ) শংকৰোত্তৰ যুগৰ অসমীয়া ৰামায়ণী সাহিত্য সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(গ) কবিৰাজ চক্ৰবৰ্তীৰ প্ৰকৃত নাম কি? তেওঁৰ কাব্যকৃতি সম্পৰ্কে আলোচনা কৰা।

(ঘ) অসমৰ বুৰঞ্জীসমূহক কিয় অসমীয়া সাহিত্যৰ অমূল্য সম্পদ বুলি ক'ব পাৰি? অসমীয়া বুৰঞ্জী সাহিত্যৰ বিষয়ে এটি নাতিদীৰ্ঘ নিবন্ধ যুগুত কৰা।

(ঙ) বুৰঞ্জীৰ গদ্য সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(চ) অসমীয়া ব্যৱহাৰিক সাহিত্য সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(ছ) ৰচনাৰ ভংগী অনুসৰি চৰিত পুথিসমূহক কি কি ভাগত ভগাব পাৰি? গদ্যত লিখা যি কোনো দুখন চৰিত পুথিৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(জ) অসমীয়া ভাষা-সাহিত্যলৈ 'অৰুণোদই' কাকতৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

(ঝ) 'অৰুণোদই' কাকত প্ৰকাশৰ বাবে নাথান ব্ৰাউনে লোৱা ভূমিকা আৰু তেওঁৰ সাহিত্য-কৃতি সম্পৰ্কে আলোচনা কৰা।

(ঞ) অসমীয়া ভাষা আৰু সাহিত্যলৈ হেমচন্দ্ৰ বৰুৱাৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

★ ★ ★